**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 27-09-2025 TIME-1340 HRS.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ওড়িশাৰ ঝাৰছুগুড়াত ৬০ হাজাৰ কোটি টকাতকৈও অধিক পৰিমাণৰ পুঁজি ব্যয় সাপেক্ষ ৰকেইবাটাও প্ৰকল্প উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে।

২। অসমত বড়ো লেণ্ড পিপলছ ফ্ৰণ্ট, বি পি এফ বি টি চিৰ ক্ষমতালৈ ঘূৰি আহিছে। বিটি চি নিৰ্বাচনৰ ফলাফলত মুঠ ৪০ খন আসনৰ ভিতৰত ২৮ খনত জয়লাভ কৰি দিলটোৱে নিৰংকুশ সংখ্যাগৰিষ্ঠতা লাভ কৰিছে।

৩। ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদৰ ৮০ সংখ্যক অধিবেশনত পাকিস্তানৰ প্ৰধানমন্ত্ৰী শ্বেহবাজ শ্বৰিফৰ ভাষণক ভাৰতে কঠোৰ ভাষাৰে গৰিহণা দিছে।

৪। এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত ভাৰত কাইলৈ  পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব।

**আৰু**

৫। নতুন দিল্লীৰ জৱাহৰলাল ষ্টেডিয়ামত আজিৰে পৰা দ্বাদশ বিশ্ব পেৰা এথলেটিকচ চেম্পিয়নশ্বিপ অনুষ্ঠিত হৈছে।

00000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ওড়িশাৰ ঝাৰছুগুড়াত ৬০ হাজাৰ কোটি টকাতকৈও অধিক পৰিমাণৰ পুঁজি ব্যয় সাপেক্ষ ৰকেইবাটাও প্ৰকল্প উদ্বোধন কৰাৰ লগতে এনে প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। এই প্ৰকল্পসমূহৰ ভিতৰত দূৰসংযোগ, ৰে'লপথ, উচ্চ শিক্ষা, স্বাস্থ্য সেৱা, দক্ষতা বিকাশ, গ্ৰামাঞ্চলৰ বাসগৃহ নিৰ্মাণ আদিকে ধৰি ভালেমান খণ্ডক সামৰি লোৱা হৈছে। প্ৰধানমন্ত্ৰী মোদীয়ে লগতে ওড়িশাৰ বেৰহামপুৰ আৰু উধনাৰ মাজত চলাচল কৰিবলগীয়া অমৃত-ভাৰত এক্সপ্ৰেছ ৰে'লগাড়ী খনৰো যাত্ৰাৰ শুভাৰম্ভ কৰে। ওড়িশাৰ ৰাজ্যপাল হৰিবাবু কাম্ভাম্পতি, মুখ্যমন্ত্ৰী মোহন চৰণ মাঝী আৰু আনকেইবাগৰাকী বিশিষ্ট ব্যক্তিয়ে এই অনুষ্ঠানত অংশগ্ৰহণ কৰে। ৰে'লগাড়ীৰ খনৰ যাত্ৰাৰ শুভাৰম্ভণিৰ সৈতে সংগতি ৰাখি উধনা ৰে'ল ষ্টেচনত আযোজন কৰা অনুষ্ঠানত ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱ আৰু জল শক্তি দপ্তৰৰ মন্ত্ৰী চি আৰ পাটিল উপস্থিত থাকে। উল্লেখযোগ্য যে ওড়িশা আৰু গুজৰাটৰ মাজত চলাচল কৰিবলগীয়া .এই ৰে'লগাড়ীখনৰ যাত্ৰাপথে অন্ধ্ৰপ্ৰদেশ, ছত্তিশগড় আৰু মহাৰাষ্ট্ৰকে ধৰি আন কেইবাখনো ৰাজ্যক সামৰি ল'ব।

একেদৰে ওড়িশাৰ পৰাই  প্ৰধানমন্ত্ৰী মোদীয়ে আজি ভাৰ্চুৱেল ব্যৱস্থাৰে গুজৰাটৰ প্ৰথমখন অমৃত-ভাৰত এক্সপ্ৰেছ ৰে'লগাড়ীৰো সেৱা মুকলি কৰে।

আজিৰ অনুষ্ঠানত ভাষণ দি প্ৰধানমন্ত্ৰীয়ে কয় যে ডবল ইঞ্জিনৰ চৰকাৰৰ জৰিয়তে ওড়িশা উন্নিতৰ পথত দ্ৰুত গতিত আগবাঢ়ি গৈছে। নিজশ্ব অৰ্থাৎ স্বদেশী ফ'ৰ জি আৰু ফাইব জী নেটৱৰ্কৰ সহায়ত দেশখনে শীঘ্ৰেই বিশ্বৰ ৫খন দেশৰ ভিতৰত স্থান লাভ কৰিব বুলিও তেওঁ আশা প্ৰকাশ কৰে। বি এছ এন এলে আমাৰ নিজৰ দেশৰ বাবে

সম্পূৰ্ণৰূপে স্বকীয় ফ'ৰ জি নেটৱৰ্ক গঢ়ি তোলাটোক গৌৰৱৰ বিষয় বুলি মত প্ৰকাশ কৰি তেওঁ কয় যেভাৰতবৰ্ষই দূৰ সংযোগ প্ৰযুক্তিৰ দিশৰ পৰা বিশ্বৰ অন্যতম কেন্দ্ৰ হিচাপে স্বীকৃতি লাভ কৰিব। কঠোৰ পৰিশ্ৰম আৰু সামৰ্থৰ জড়িয়তে বি এছ এন এলে ইতিহাত এটা নতুন অধ্যায়ৰ সূচনা কৰিছে বুলিও তেওঁ মত প্ৰকাশ কৰে।

০০০০০

পঞ্চায়তী ৰাজ মন্ত্ৰ্যালয়ে দেশজুৰি ২ অক্টোবৰত জন পৰিকল্পনা অভিযান **সব কী যোজনা, সবকা বিকাশ** অভিযান আৰম্ভ কৰিব। এটা বিবৃতিত মন্ত্ৰ্যালয়ে কয় যে এই দেশজোৰা অভিযানত ২০২৬-২৭ বিত্তীয় বৰ্ষৰ বাবে পঞ্চায়ত বিকাশ পৰিকল্পনাৰ প্ৰস্তুতিত গুৰুত্ব দিয়া হ'ব। গ্ৰামাঞ্চলত পৰিসেৱা উন্নতকৰণ আৰু ইয়াৰ ফলাফলৰ বিকাশৰ ক্ষেত্ৰত স্থানীয় প্ৰশাসনক স্বচ্ছ আৰু অংশীদাৰিত্বমূলক কৰি তুলাই হৈছে জন পৰিকল্পনা অভিযানৰ লক্ষ্য। মন্ত্ৰ্যালয়ে প্ৰকাশ কৰা অনুসৰি এই অভিযানত আদি কৰ্মযোগী অভিযানৰ অধীনত জনজাতি লোকৰ সবলীকৰণত গুৰুত্ব দিয়া হ'ব।

০০০০০

কেন্দ্ৰীয় সংস্থাসমূহৰ সহযোগত বাবৰ খালছা ইণ্টাৰনেচনেলৰ সন্ত্ৰাসবাদী পাৰমিন্দৰ সিং পিণ্ডিক সংযুক্ত আৰব আমিৰশ্বাহীৰ পৰা ভাৰতলৈ প্ৰত্যৰ্পণ কৰাত পঞ্জাব আৰক্ষী সফল হৈছে। আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি পিণ্ডি বিদেশত বসবাস কৰা দুটা সন্ত্ৰাসবাদীৰ ঘনিষ্ঠ সহযোগী আৰু পঞ্জাবৰ বাটালা-গুৰুদাসপুৰ অঞ্চলত পেট্ৰল বোমাৰ আক্ৰমণ, হিংসাত্মক কাৰ্যকলাপৰ লগতে ধন দাবীৰ ঘটনাত জড়িত আছিল। আৰক্ষীৰ অনুৰোধত ৰেড কৰ্ণাৰ নটিচৰ পাছত বিদেশ মন্ত্ৰ্যালয় আৰু সংযুক্ত আৰব আমিৰশ্বাহীৰ প্ৰশাসনৰ দলে বিচাৰৰ বাবে সন্ত্ৰাসবাদী পিণ্ডিক দেশলৈ অনাত কাৰ্যকৰী ভূমিকা লয়।

০০০০০

অসমত বড়ো লেণ্ড পিপলছ ফ্ৰণ্ট, বি পি এফ বি টি চিৰ ক্ষমতালৈ ঘূৰি আহিছে। বিটি চি নিৰ্বাচনৰ ফলাফলত মুঠ ৪০ খন আসনৰ ভিতৰত ২৮ খনত জয়লাভ কৰি বি পি এফে নিৰংকুশ সংখ্যাগৰিষ্ঠতা লাভ কৰিছে। ইয়াৰ বিপৰীতে শাসনত থকা ইউ পি এলে মাত্ৰ ৭খন আৰু বিজেপিয়ে ৫খন আসনতহে জয়লাভ কৰে। কালি ভোটগণনা হোৱাৰ পাছত আজি পুৱা সমগ্ৰ প্ৰক্ৰিয়া সম্পূৰ্ণ হয়।

বি টি চিত ২২ ছেপ্তেম্বৰত ভোট গ্ৰহণ কৰা হৈছিল আৰু ৭৭ দশমিক ৯ শতাংশ ভোটদান সম্পন্ন হৈছিল। উল্লেখযোগ্য যে বি টি আৰত কোকৰাঝাৰ, বাক্সা, চিৰাং, ওদালগুৰি আৰু তামুলপুৰ জিলা অন্তৰ্ভুক্ত হৈ আছে।

০০০০০

ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদৰ ৮০ সংখ্যক অধিবেশনত পাকিস্তানৰ প্ৰধানমন্ত্ৰী শ্বেহবাজ শ্বৰিফৰ ভাষণক ভাৰতে কঠোৰ ভাষাৰে গৰিহণা দিছে। ভাৰতে পাকিস্তানৰ বিৰুদ্ধে সন্ত্ৰাসবাদক পৃষ্ঠপোষকতা কৰা আৰু ভাৰত-পাকিস্তান সংঘৰ্ষৰ সত্যতাক ঢাকি ৰখা বুলি অভিযোগ কৰিছে। ৰাষ্ট্ৰসংঘৰ ভাৰতৰ স্থায়ী মিচনৰ প্ৰথম সচিব পেটেল গেহলটে কয় যে সাধাৰণ পৰিষদ আজি পুৱা পাকিস্তানৰ প্ৰধানমন্ত্ৰীৰ অসত্য কৌশলৰ সাক্ষী হ'বলগীয়া হৈছে। শ্বেহবাজ শ্বৰিফে পুনৰ নিজ দেশৰ বিদেশ নীতিৰ মূল বিষয়টো উদঙাই দি সন্ত্ৰাসবাদক পৃষ্ঠপোষকতা কৰিলে বুলিও শ্ৰীমতী গেহলটে উল্লেখ কৰে। তেওঁ ভাৰতৰ সন্ত্ৰাস বিৰোধী অভিযান বিশেষকৈ অপাৰেচন সিন্দুৰৰ সাফল্যৰ বিষয়ে প্ৰকাশ কৰে।

তেওঁ কয় যে পাকিস্তানৰ সামৰিক বাহিনী আৰু অসামৰিক বিষয়াই ৰাজহুৱাভাৱে সন্ত্ৰাসবাদীৰ শেষকৃত্যত অংশগ্ৰহণ কৰিছিল।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি উড়িশাৰ পৰা ভাৰ্চুৱেল ব্যৱস্থাৰে সমগ্ৰ দেশতে ৩৭ হাজাৰ কোটি টকা ব্যয় সাপেক্ষে স্বদেশী প্ৰযুক্তিৰে নিৰ্মিত ৯৭ হাজাৰ ৫০০টা ফ'ৰ জি ম'বাইল টাৱাৰ উদ্বোধন কৰে। এই উপলক্ষে আজি গুৱাহাটীত আয়োজিত কাৰ্যসূচীত কেন্দ্ৰীয় মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়া উপস্থিত থাকে। অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই দূৰসংযোগৰ সৈতে জড়িত সকলো প্ৰযুক্তি স্বদেশী হোৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

০০০০০

এছিয়া কাপ টি টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত ভাৰত কাইলৈ পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব। প্ৰতিযোগিতাত যোৱা নিশা ডুবাইত অনুষ্ঠিত ছুপাৰ ফ'ৰ পৰ্যায়ৰ অন্তিমখন খেলত ভাৰতে শ্ৰীলংকাক নাটকীয়ভাৱে ছুপাৰ অভাৰত পৰাস্ত কৰে। এই জয়ৰ সুবাদত ভাৰত প্ৰতিযোগিতাখনৰ ছখন খেলতে অপ্ৰতিদ্বন্দ্বি হৈ ৰয়। ভাৰতে ইতিমধ্যে এছিয়া কাপৰ ফাইনেলৰ বাবে যোগ্যতা অৰ্জন কৰাৰ বিপৰীতে শ্ৰীলংকাই ছুপাৰ ফ'ৰৰ দুয়োখন খেলতে পৰাজিত হৈ প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে। কালি নিশা খেলখন প্ৰথমে ড্ৰ হোৱাৰ পাছত ছুপাৰ অভাৰত খেলখন এই বছৰৰ এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাৰ আটাইতকৈ ৰোমাঞ্চকৰ খেল হৈ পৰে। ছুপাৰ অভাৰত ভাৰতৰ অৰ্শদীপ সিঙে দুটা উইকেট দখল কৰি শ্ৰীলংকাক দুই ৰান লোৱাত বাধা দিয়ে। ইপিনে খেলখনত জয়ৰ বাবে তিনি ৰানৰ প্ৰয়োজন হোৱা ভাৰতে ছুপাৰ অভাৰৰ প্ৰথমটো বলতে বিজয় সুনিশ্চিত কৰে।

ইয়াৰ পূৰ্বে ভাৰতে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত পাঁচ উইকেটৰ বিনিময়ত ২০২ ৰান কৰে। অভিষেক শৰ্মাই সৰ্বাধিক ৬১ ৰান কৰে। প্ৰত্যুত্তৰত শ্ৰীলংকাৰ পাথুম নিশাংকৰ শতকৰ সহায়ত খেলখন ড্ৰ হয়। নিশাংকক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

০০০০০

নতুন দিল্লীৰ জৱাহৰলাল ষ্টেডিয়ামত আজিৰে পৰা দ্বাদশ বিশ্ব পেৰা এথলেটিকচ চেম্পিয়নশ্বিপ অনুষ্ঠিত হৈছে। এই ৯ দিনীয়া প্ৰতিযোগিতাখনত বিভিন্ন শাখাত বিজয়ীসকলক মুঠ ১৮৬ টা পদক প্ৰদান কৰা হ'ব। ইয়াৰে পুৰুষৰ বাবে ১০১টা, মহিলাৰ বাবে ৮৪টা আৰু মিক্সড শাখাৰ বাবে এটা পদক থাকিব। প্ৰতিযোগিতাখনৰ ৫ অক্টোবৰত সামৰণি পৰিব।

ভাৰতৰ পেৰা এথলীট দিপ্তী জীৱনজীয়ে আজি অনুষ্ঠিত মহিলাৰ ৪০০ মিটাৰ টি টুৱেণ্টি শাখাত প্ৰথম হৈ পদক ৰাউণ্ডৰ বাবে যোগ্যতা অৰ্জন কৰিছে। তেওঁ ৫৮ দশমিক ৩৫ ছেকেণ্ডেৰে চলিত ছিজনৰ সৰ্বোচ্চ প্ৰদৰ্শন কৰে। হিট ৰানত ভেনিজুৱেলাৰ লিঅ'নেলা ক'ৰম'ট' ভেৰা ক'লিনাই ৫৭ দশমিক ১০ ছেকেণ্ডৈলৈ প্ৰথম স্থান পায়।

এইবাৰৰ প্ৰতিযোগিতাত ১০০খনৰো অধিক দেশৰ এহেজাৰৰো অধিক এথলীটে অংশগ্ৰহণ কৰিছে। আয়োজক দেশ ভাৰতৰ ৭০ গৰাকীৰো অধিক এথলীটে বিভিন্ন শাখাত প্ৰতিদ্বন্দ্বিতা কৰিব। ভাৰতৰ সুমিত আণ্টিল, প্ৰীতি প'ল, প্ৰবীণ কুমাৰ, ধৰমবীৰ নেইন আৰু নৱদীপ হৈছে প্ৰতিযোগিতাখনৰ অন্যতম আকৰ্ষণ। ভাৰতীয় দলৰ

হৈ পতাকা কঢ়িওৱাৰ দায়িত্বত থাকিব পেৰিছ পেৰা অলিম্পিকৰ ক্লাব থ্ৰ'ৰ স্বৰ্ণ পদক বিজয়ী ধৰমবীৰ নেইন আৰু দুটাকৈ ব্ৰঞ্জৰ পদক বিজয়ী স্প্ৰিণ্টাৰ প্ৰীতি প'ল। পেৰিছ পেৰা অলিম্পিকৰ জেভেলিন থ্ৰ'ত স্বৰ্ণ পদক বিজয়ী সুমিত আণ্টিলে এইবাৰো স্বৰ্ণ পদক লাভ কৰি হে'ট্ৰিক কৰিব বুলি আশা কৰা হৈছে। ০০০০০